**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 17-03-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## ***Headlines***

১। ৰাজ্যৰ আসন্ন বিধানসভা নিৰ্বাচনত ৩১ হাজাৰ ৪৮৬টা ভোটকেন্দ্ৰত দুই কোটি ৫০ লাখ ২১ হাজাৰ ৪১৩ গৰাকী ভোটদাতাৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত।

২। বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থী তালিকা ঘোষণা। কাইলৈ বিজেপিৰ প্ৰথমখন তালিকা।

৩। বিধানসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতেই ৰাজ্যৰ কেইবাখনো জিলাৰ আয়ুক্ত তথা নিৰ্বাচনী বিষয়াৰ সকলো বিভাগৰ মুৰব্বী তথা খণ্ড উন্নয়ন বিষয়াৰে বৈঠক।

আৰু

৪। ফ্ৰান্সত আজিৰ পৰা অৰ্লিনছ মাষ্টাৰ্ছ ছুপাৰ থ্ৰী-হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতা।

০০০০০০০

ৰাজ্যৰ আসন্ন বিধানসভা নিৰ্বাচনত ৩১ হাজাৰ ৪৮৬টা ভোটকেন্দ্ৰত দুই কোটি ৫০ লাখ ২১ হাজাৰ ৪১৩ গৰাকী ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব। অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে কালি গুৱাহাটীত এখন সংবাদমেলত এই তথ্য দিয়ে। শ্ৰী গোৱেলে এই সংবাদমেলতে ৰাজ্যখনত বিধানসভা নিৰ্বাচনৰ ৰাজপত্ৰিত অধিসূচনা জাৰি হোৱা বুলি ঘোষণা কৰে। ইয়াৰ লগে লগে ৰাজ্যত মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। সেই অনুসৰি ১২৬টা সমষ্টিৰ বাবে ২৩ মাৰ্চ মনোনয়ন দাখিলৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। সমষ্টিসমূহৰ ভিতৰত ৯টা অনুসূচিত জাতিৰ বাবে আৰু ১৯টা অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত কৰা হৈছে বুলি শ্ৰীগোৱেলে প্ৰকাশ কৰে। এইবাৰৰ ভোটগ্ৰহণত এশ শতাংশ ৱেবকাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব। ভোটগ্ৰহণ নিয়াৰিকৈ চলোৱাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ ২০০টা কোম্পানী ৰাজ্যত উপস্থিত হৈছে আৰু এই সপ্তাহতে আন কেইবাটাও কোম্পানী আহি পাব বুলি বিষয়াগৰাকীয়ে প্ৰকাশ কৰে। তথ্য অনুসৰি দলগাঁও সমষ্টিত সৰ্বাধিক সংখ্যক ভোটদাতা থকাৰ বিপৰীতে অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত আমৰি সমষ্টিত আটাইতকৈ কম সংখ্যক ভোটদাতা আছে। মুখ্য নিৰ্বাচনী বিষয়াজনে নিৰ্বাচনৰ সময়ত নগদ ধন সৰবৰাহ সন্দৰ্ভত থকা নীতি-নিয়মৰ বিষয়েও সংবাদমেলত প্ৰকাশ কৰে।

**বাইট (গোৱেল)**

ৰাজ্যৰ ১২৬ আসনবিশিষ্ট বিধানসভাৰ কাৰ্যকালৰ ২০ মে'ত অন্ত পৰিব।

০০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিয়ে কাইলৈ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰি জনায় যে প্ৰাৰ্থীৰ তালিকাত বহুকেইখন নতুন মুখ থাকিব। তেওঁ উল্লেখ কৰা অনুসৰি বৰাক উপত্যকাৰ ১০টা সমষ্টিত বিজেপিয়ে আৰু তিনিটা সমষ্টিত অগপই প্ৰতিদ্বন্দ্বিতা কৰিব।

কেইবাটাও ৰাজনৈতিক দলে ইতিমধ্যে প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছে। ইউ পি পি এলে কালি ৭ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা ঘোষণা কৰে। এই অনুসৰি বি টি চিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য তথা দলৰ সভাপতি প্ৰমোদ বড়োৱে তামুলপুৰ সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব। শেহতীয়াকৈ ইউ পি পি এলত যোগ দিয়া এবছুৰ প্ৰাক্তন সভাপতি দীপেন বড়োক ওদালগুৰিত, ৰাজু কুমাৰ নাৰ্জাৰীক দতমাত আৰু লৰেন্স ইছলাৰীক কোকৰাঝাৰত প্ৰাৰ্থিত্ব দিয়া হৈছে।

একেদৰে অনিন্দ্য বসুমতাৰীক গোসাইগাঁও, নাৰ্ছন বড়োক ভেৰগাঁও আৰু কমলসিং নাৰ্জাৰীক বিজনী সমষ্টিৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰা হৈছে।

চি পি আই এমে কালি দুটা সমষ্টিৰ বাবে প্ৰাৰ্থী ঘোষণা কৰে। দলটোৱে এখন সংবাদমেলযোগে ভৱানীপুৰ সৰভোগ বিধানসভা সমষ্টিৰ বাবে মনোৰঞ্জন তালুকদাৰক আৰু গোৰেশ্বৰ সমষ্টিৰ বাবে বাপুৰাম বড়োক প্ৰাৰ্থিত্ব দিছে। বিধানসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছ, অসম জাতীয় পৰিষদ, চি পি আই এম, এ পি এইচ এল চি আৰু চি পি আই এম এলৰ মাজত আসন বুজাবুজি হৈছে।

আম আদমী পাৰ্টীয়ে ১৪টা সমষ্টিৰ প্ৰাৰ্থী ঘোষণা কৰিছে। কংগ্ৰেছে প্ৰাৰ্থীৰ দুখন তালিকা প্ৰকাশ কৰিছে। এ আই ইউ ডি এফে ৯ জন প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে। ৰাইজৰ দলেও ১১ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা ইতিমধ্যে প্ৰকাশ কৰিছে।

০০০০০০০

বিধানসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতেই ৰাজ্যৰ কেইবাখনো জিলাৰ আয়ুক্ত তথা নিৰ্বাচনী বিষয়াই কালি সকলো বিভাগৰ মুৰব্বী তথা খণ্ড উন্নয়ন বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হয়। মাজুলী জিলা সংহত আয়ুক্তৰ কাৰ্যালয়ত জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে আয়োজন কৰা সংবাদমেলখনত জিলা নিৰ্বাচনী বিষয়া, অতিৰিক্ত আৰক্ষী অধীক্ষকসহ জিলা প্ৰশাসনৰ কেইবাগৰাকীও বিষয়া উপস্থিত থাকে। জিলাখনত বিধানসভা নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে লোৱা ব্যৱস্থাসমূহৰ বিষয়ে আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে উল্লেখ কৰে।

ইপিনে, যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়তো আয়ুক্ত জয় শিৱানীয়ে এখন সংবাদ মেলৰ আয়োজন কৰে। সংবাদ মেলত জিলা আয়ুক্তগৰাকীয়ে আসন্ন বিধানসভা নিৰ্বাচনৰ বিভিন্ন দিশ আৰু নিৰ্বাচনী আচৰণ বিধি সম্বন্ধীয় কেইবাটাও বিষয় উল্লেখ কৰে। এই সংবাদমেলত জিলা নিৰ্বাচনী বিষয়াৰ লগতে কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে। চৰাইদেউ জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষতো আয়ুক্ত ডাঃ নেহা যাদৱে জিলাখনত নিৰ্বাচন আচৰণ বিধি বলবৎ সম্বন্ধে এখন সংবাদমেলৰ আয়োজন কৰে। জিলাখনৰ দুটা বিধানসভা সমষ্টিত নিৰ্বাচনী কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি তেওঁ উল্লেখ কৰে। জিলাখনৰ সোণাৰি বিধানসভা সমষ্টিত ২০৭টা ভোটগ্ৰহণ কেন্দ্ৰ আৰু মাহমৰা বিধানসভা সমষ্টিত ১৮৪টা কেন্দ্ৰত ভোটগ্ৰহণ কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। জিলাখনত শান্তিপূৰ্ণ, স্বচ্ছ আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসন সাজু বুলি আয়ুক্তগৰাকীয়ে উল্লেখ কৰে।

বিশ্বনাথ জিলাৰ তিনিটা বিধানসভা সমষ্টিত নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত কালি জিলাখনৰ আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া লক্ষীনন্দন চহৰীয়াই এখন সংবাদমেলত অৱগত কৰে। জিলাখনত পাঁচ লাখ ১৭ হাজাৰ ৪২৫ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব বুলি তেওঁ প্ৰকাশ কৰে। নিৰ্বাচন নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে জিলাখনত ১৭ গৰাকী মাণ্ডলিক বিষয়া আৰু ৬৮ গৰাকী খণ্ড বিষয়া নিয়োগ কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

ধেমাজি জিলাত কালি আয়ুক্ত ৰাহুল সুৰেশ জাবিৰে বৈঠকৰ পাছত সংবাদমেলযোগে জিলাখনত শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে সকলো প্ৰস্তুতি গ্ৰহণ কৰা হৈছে বুলি জানিবলৈ দিয়ে। সংবাদমেলত জ্যেষ্ঠ আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকাই আইন শৃংখলা দিশত আৰক্ষী প্ৰশাসনে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সম্পৰ্কে অৱগত কৰে।

গোলাঘাট জিলাতো জিলা আয়ুক্ত পূবালী গোঁহাই আৰু আৰক্ষী অধীক্ষক ৰাজেন সিঙে এখন সংবাদ মেল সম্বোধন কৰে। শ্ৰীভূমি জিলাতো নিৰ্বাচনী আৰ্হি আচৰণবিধি বলৱৎ হোৱাৰ লগে লগে জিলা প্ৰশাসনে নিৰ্বাচনী ব্যয় নিয়ন্ত্ৰণ, প্ৰচাৰ সামগ্ৰী প্ৰকাশ আৰু ৰাজনৈতিক প'ষ্টাৰ আঁতৰোৱাৰ ক্ষেত্ৰত কঠোৰ নিৰ্দেশনা জাৰি কৰিছে।

বাক্সা জিলা প্ৰশাসনে জিলাখনত নিৰ্বাচন নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে পৰিচালনা কৰাৰ বাবে প্ৰস্তুতি চলাইছে। কালি জিলা আয়ুক্ত ধীৰাজ সাউদে এখন সংবাদমেলত এই বিষয়ে সদৰি কৰে। জিলাখনৰ ৫০২ টা ভোটগ্ৰহণ কেন্দ্ৰৰ ৭২ টা স্পৰ্শকাতৰ হিচাপে চিনাক্ত কৰা হৈছে বুলি তেওঁ কয়। জিলাখনৰ দুটা বিধানসভা সমষ্টিত চাৰি লাখ দুহেজাৰ ৩২৮ গৰাকী ভোটদাতা আছে বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০০০

কালি নিশা অহা বা-মাৰলিয়ে ৰাজ্যৰ বিভিন্ন ঠাইত বিস্তৰ ক্ষতি কৰি থৈ যায়। তামুলপুৰ জিলাত মাজনিশা অহা ধুমুহাজাকে কুমাৰীকাটা, খৈৰানী, আঙাৰকাটা, খৈৰাবাৰী, নাৰায়ণপুৰ, কাউলী, নাগ্ৰীজুলি, ঢেকিপোতাকে ধৰি বিস্তীৰ্ণ অঞ্চলত বহু লোকৰ ঘৰ-দুৱাৰ ভাঙি ক্ষতি কৰে। ধুমুহাত তামোল, নাৰিকলকে ধৰি বিভিন্ন লাগনি গছ ভাঙি পৰাৰ ফলত সাধাৰণ ৰাইজ আৰ্থিক লোকচানৰ সন্মুখীন হৈছে। জিলাখনৰ গোৰেশ্বৰ সমষ্টিৰ বিভিন্ন ঠাইত ধুমুহাত গছ উভালি পৰাৰ ফলত যাতায়াত ব্যাহত হৈ পৰিছে। ধুমুহাত বিদ্যুতৰ খুঁটা উভালি পৰাৰ লগতে তাঁৰ ছিঙাত জিলাখনৰ বিভিন্ন ঠাইত বিদ্যুতৰ সংযোগ বিচ্ছিন্ন হৈ পৰিছে।

পশ্চিম কাৰ্বি আংলং জিলাতো পুৱতি নিশা অহা ধুমুহাত বহুতো ঘৰ-দুৱাৰ ভগাৰ লগতে ডাঙৰ ডাঙৰ গছ উভালি পৰে।

কাছাৰ জিলাতো যোৱা দুদিনত ধুমুহা আৰু বৰষুণৰ ফলত  বানৰ সৃষ্টি হৈছে। শিলচৰ নগৰৰ অম্বিকাপট্টি, শ্বিলংপট্টি, বিলপাৰ, বিবেকানন্দ ৰোড, কলেজ ৰোডকে ধৰি কেইবাটাও অঞ্চলত বৰষুণৰ পানী জমা হৈ যাতায়াত ব্যৱস্থা বিঘ্নিত হৈছে।

০০০০০০০

অসম সাহিত্য সভাৰ ড° প্ৰদীপ কুমাৰ বৰুৱা ন্যাসৰ সমালোচনা সাহিত্য বঁটা কালি বিশিষ্ট সমালোচক-সাহিত্যিক ড° গোবিন্দ প্ৰসাদ শৰ্মাক আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। যোৱা ১৪ মাৰ্চত যোৰহাটৰ দানবীৰ ৰাধাকান্ত সন্দিকৈ ভৱনত আয়োজিত অনুষ্ঠানত এই বঁটা প্ৰদান কৰাৰ কথা আছিল যদিও বঁটাপ্ৰাপক সাহিত্যিকগৰাকীৰ অসুস্থতাৰ বাবে কালি তেওঁৰ কাহিলিপাৰাৰ বাসগৃহত সাহিত্যসভাৰ বিষয়ববীয়াসকলে এই বঁটা প্ৰদান কৰে।

০০০০০০০

ফ্ৰান্সত আজিৰ পৰা অৰ্লিনছ মাষ্টাৰ্ছ ছুপাৰ থ্ৰী-হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত জ্যেষ্ঠ খেলুৱৈ কিদাম্বী শ্ৰীকান্ত তথা উদীয়মান খেলুৱৈ আয়ুষ ছেট্টি আৰু তনভী শৰ্মাই ভাৰতৰ প্ৰত্যাশাৰ ভাৰ বহন কৰিব। অৱশ্যে বিগত সপ্তাহত অনুষ্ঠিত ছুইছ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ সময়ত হোৱা কান্ধৰ আঘাতৰ বাবে এইচ এছ প্ৰণয়ে অৰ্লিনছ মাষ্টাৰ্ছৰ পৰা নিজৰ নাম প্ৰত্যাহাৰ কৰিছে। দেশৰ তাৰকা খেলুৱৈদ্বয় লক্ষ্য সেন আৰু পি ভি সিন্ধুৱেও এই প্ৰতিযোগিতাখনত অংশ লোৱাৰ পৰা বিৰত আছে। প্ৰতিযোগিতাৰ মিক্সড ডাবলছত টানিছা ক্ৰাষ্ট' আৰু ধ্ৰুৱ কপিলাই দেশলৈ সন্মান কঢ়িয়াই অনাৰ আপ্ৰাণ প্ৰয়াস চলাব।

০০০০০০০

**সমাপ্ত**